# অসম লোকসেৱা আয়োগ

****

## স্পষ্টীকৰণ

আজি ইং ১৬-০৫-২০১৭ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "ডায়েটৰ ৪১ গৰাকী প্ৰবক্তা পদৰ বাচনি প্ৰক্ৰিয়াত গুৰুত্বৰ অনিয়ম" শীৰ্ষক শিৰোনামাৰে প্ৰকাশিত বাতৰিৰ প্ৰতি অসম লোকসেৱা আয়োগৰ দৃষ্টিগোচৰ হৈছে । এই সন্দৰ্ভত আয়োগে স্পষ্ট কৰি দিয়ে যে, বিজ্ঞাপন (নং 15/2015, Dated 24/07/2015) অনুসৰি বয়সৰ উৰ্ধসীমা যদিও ৩৮ বছৰ, কিন্তু প্ৰাথমিক শিক্ষাৰ উপসচিৱ মহোদয়ে চিঠি নং AEE.32/2014/136, Dated 19th August, 2015 যোগে চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত প্ৰযোজ্য Govt. OM নং ABP.513/79/9, Dated 27/03/1980 আৰু নং ABP.73/89/17, Dated 04-01-1992 ৰ ওপৰত ভিত্তি কৰি ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তাৰূপে কৰ্মৰত ড° চৈয়দা নাচিফা ইছলামৰ বয়সৰ উৰ্ধসীমা ৪৫ বছৰলৈ ৰেহাইৰ চৰকাৰৰ অনুমোদন অৱগত কৰে। চৰকাৰৰ নিৰ্দেশ অনুসৰি প্ৰাৰ্থীগৰাকীক মৌখিক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল । ইয়াত কোনো অনিয়মৰ আশ্ৰয় লোৱাৰ প্ৰশ্ন অবান্তৰ । আনহাতে বিজ্ঞাপনত উল্লেখ কৰা শিক্ষাগত অৰ্হতা অনুসৰি (Master Degree in language concerned with 55% marks from any recognized university) প্ৰাৰ্থীগৰাকীয়ে অসমীয়া বিষয়ত আৱশ্যকীয় শতকৰা নম্বৰ সহ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে । সকলোবোৰ দিশ চালিজাৰি চোৱাৰ পিছত আয়োগে প্ৰাৰ্থীগৰাকীক উপযুক্ত বুলি তেখেতৰ প্ৰাৰ্থিত্ব গ্ৰহণ কৰি সাক্ষাৎকাৰত যোগ্যতা ভিত্তিত অনুমোদন জনাইছে। সেয়েহে বাতৰিটো সম্পূৰ্ণ ভিত্তিহীন আৰু সত্যৰ ওপৰত আধাৰিত নহয় ।

আয়োগে নিষ্ঠা সহকাৰে দায়িত্ব পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। এইক্ষেত্ৰত কাৰোবাৰ অভিযোগ থাকিলে, আয়োগৰ সচিৱ/মূখ্য পৰীক্ষা নিয়ন্ত্ৰকক যোগাযোগ কৰি সত্যাসত্য নিৰূপণ কৰিবলৈ আহ্বান জনোৱা হল ।

স্বাঃ

সচিৱ,

অসম লোকসেৱা আয়োগ

জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২

Phone: 0361-2364562 (O) 2368207 (Fax)